# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date : 23**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰে।

২। ভাৰতীয় জনতা পাৰ্টীয়ে আজি পুনৰ মুখ্য বিৰোধী দল কংগ্ৰেছে সংবিধান প্ৰণেতা ড° বি আৰ আম্বেদকাৰক সদায়েই অপমান কৰি আহিছে বুলি অভিযোগ কৰে।

৩। উচ্চতম ন্যায়ালয়ে চিকিৎসা পৰিষদ সমিতিক নীটৰ স্নাতক পাঠ্যক্ৰমৰ বাবে খালী হৈ থকা আসনসমূহ পূৰ কৰিবলৈ বিশেষ কাউন্সেলিং অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিছে। *আৰু*

৪। কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনী-চি আই এছ এফে আজি নতুন বদলিকৰণ নীতি ঘোষণা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰে। নিযুক্তি পত্ৰ বিতৰণ কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে বিগত ডেৰ বছৰত দেশত প্ৰায় ১০ লাখ চৰকাৰী চাকৰিত নিযুক্তি দিয়া হৈছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে এই নিযুক্তিসমূহ সম্পূৰ্ণ স্বচ্ছভাৱে প্ৰদান কৰা হৈছে আৰু নতুনকৈ নিযুক্তিপ্ৰাপ্তসকলে সম্পূৰ্ণ একাগ্ৰতাৰে দেশৰ সেৱাত ব্ৰতী হৈ আছে। তেওঁ কয়, যে বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু সংস্থাসমূহৰ অধীনত চাকৰিত নিযুক্তি দিয়াৰ বাবে যোৱা ১০ বছৰে অভিযান অব্যাহত ৰখা হৈছে। এই নিযুক্তি মেলাসমূহে যুৱ প্ৰজন্মৰ সম্ভাৱনাৰ বিকাশ কৰি তেওঁলোকৰ সৱলীকৰণ নিশ্চিত কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশৰ যুৱ প্ৰজন্মৰ মাজত থকা প্ৰতিভা আৰু সম্ভাৱনাৰ সম্পূৰ্ণৰূপে সু-ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিছে। তেওঁ লগতে চৰকাৰৰ নীতি আৰু সিদ্ধান্তসমূহৰ ফলত বিশেষকৈ গ্ৰামাঞ্চলত নিয়োগ আৰু আত্ম সংস্থাপনৰ বাবে নতুন সুযোগ-সুবিধাৰ সৃষ্টি হৈছে বুলি মন্তব্য কৰে। শ্ৰীমোদীয়ে  কয়, যে মাতৃভাষা মাধ্যমত শিক্ষণ আৰু পৰীক্ষা দিয়া ব্যৱস্থাৰ লগতে ১৩ টা আঞ্চলিক ভাষাত পৰীক্ষা অনুষ্ঠিত কৰাৰ অনুমতি দিয়াৰ ফলস্বৰূপে গ্ৰামাঞ্চল তথা অতি পিছপৰা অঞ্চলৰ যুৱক-যুৱতীসকলৰ ভাষাৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ দূৰ হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দক্ষতা সম্পন্ন যুৱক-যুৱতীসকলক সৱলিকৰণৰ বাবে চৰকাৰে নীতি আৰু সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু ইয়াৰ জৰিয়তে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছে। তেওঁ লগতে এখন দেশৰ উন্নয়ন ইয়াৰ যুৱক-যুৱতীসকলৰ প্ৰচেষ্টা, সামৰ্থ তথা নেতৃত্বৰ ওপৰত নিৰ্ভৰ কৰে বুলি মন্তব্য কৰে।

কেন্দ্ৰীয় চৰকাৰৰ মেক ইন ইণ্ডিয়া, আত্মনিৰ্ভৰ ভাৰত, ষ্টাৰ্টআপ ইণ্ডিয়া, ষ্টেণ্ড আপ ইণ্ডিয়া, ডিজিটেল ভাৰত আদি আঁচনিসমূহত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে যুৱ প্ৰজন্মক লক্ষ্য কৰিয়েই এই আঁচনিসমূহ গ্ৰহণ কৰা হৈছে

বুলি প্ৰকাশ কৰে। ভাৰতে প্ৰতিৰক্ষা খণ্ডৰ নীতি সলনি কৰিছে বুলি উল্লেখ কৰি শ্ৰীমোদয়ে কয়, যে দেশৰ প্ৰতিৰক্ষা খণ্ডৰ উৎপাদনত অধিক গুৰুত্ব আৰোপ কৰা হৈছে আৰু ইয়াৰ ফলত যুৱক-যুৱতীসকল বিশেষভাৱে উপকৃত হৈছে।

ইফালে, চৌধুৰী চৰণ সিঙৰ আজি জন্মবাৰ্ষিকী সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে চৰকাৰে তেওঁক এই বছৰ ভাৰত ৰত্নৰে  সন্মানিত কৰিবলৈ পাই অতিকৈ আনন্দিত হৈছে। তেওঁ কয়, যে চৌধুৰী চৰণ সিঙে দেশৰ প্ৰগতি গ্ৰাম্য ভাৰতৰ প্ৰগতিৰ ওপৰৰত নিৰ্ভৰশীল বুলি বিশ্বাস কৰিছিল। চৰকাৰে গ্ৰামাঞ্চলসমূহত বিশেষকৈ কৃষিৰ ক্ষেত্ৰত যুৱছামৰ বাবে নতুন নিয়োগ তথা স্বনিয়োজনৰ সুযোগ সৃষ্টি কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে লগতে মন্তব্য কৰে। এই ক্ষেত্ৰত তেওঁ বীমা সখী, ড্ৰোন বাইদেউ, লাখপতি বাইদেউ আৰু বেংক সখী যোজনাৰ কথা উল্লেখ কৰে।

দেশৰ ৪৫খন ঠাইত আজি নিযুক্তি পত্ৰ বিতৰণৰ বাবে বিশেষ মেলাৰ আয়োজন কৰা হয়।  বিভিন্ন চৰকাৰী বিভাগ আৰু মন্ত্ৰালয়ৰ খালী পদ পূৰণৰ দিশত পদক্ষেপ হিচাপে এই ৰোজগাৰ মেলাসমূহত লাখ লাখ নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। নতুনকৈ নিযুক্তিপ্ৰাপ্ত সকলে গৃহ পৰিক্ৰমা, উচ্চ শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্তীয় সেৱা আদি বিভাগত যোগদান কৰিব।

00000

ভাৰতীয় জনতা পাৰ্টীয়ে আজি পুনৰ মুখ্য বিৰোধী দল কংগ্ৰেছে সংবিধান প্ৰণেতা ড° বি আৰ আম্বেদকাৰক সদায়েই অপমান কৰি আহিছে বুলি অভিযোগ কৰে। নতুন দিল্লীত আজি সাংবাদিকৰ আগত জ্যেষ্ঠ দলীয় নেতা ৰবীশংকৰ প্ৰসাদে কয়, যে কংগ্ৰেছে ১৯৫২ চনৰ লোকসভা নিৰ্বাচন আৰু পাছত ১৯৫৪ চনৰ উপ নিৰ্বাচনত ড° আম্বেদকাৰৰ পৰাজয় নিশ্চিত কৰিছিল। ড° আম্বেদকাৰক জৱাহৰলাল নেহৰু চৰকাৰৰ পৰা পদত্যাগ  কৰিবলৈ বাধ্য কৰোৱা হৈছিল বুলি অভিযোগ কৰি জ্যেষ্ঠ নেতাগৰাকীয়ে কয়, যে নেহৰুৰ শাসনকালত তেওঁক ভাৰত ৰত্ন সন্মানেৰে সন্মানিত কৰাও হোৱা নাছিল। ড° আম্বেদকাৰৰ পদত্যাগ পত্ৰৰ কথা উল্লেখ কৰি শ্ৰীপ্ৰসাদে লগতে কয়, যে কংগ্ৰেছে সংবিধান প্ৰণেতাগৰাকীৰ নামত কোনো ধৰণৰ স্মাৰক নিৰ্মাণ নকৰিলে। ভাৰতীয় সংবিধান প্ৰনয়ন কৰাৰ বাবেও কংগ্ৰেছে তেওঁৰ প্ৰতি কোনো সন্মান নিদিলে বুলি বিজেপি নেতাগৰাকীয়ে মত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে কংগ্ৰেছে বাবা চাহেবৰ অপমান কৰাৰ বাবে ক্ষমা খোজা উচিত।

00000

উচ্চতম ন্যায়ালয়ে দেশত চিকিৎসকৰ সংখ্যা প্ৰয়োজন অনুপাতে কম হোৱাৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসা পৰিষদ সমিতিক ৰাষ্ট্ৰীয় যোগ্যতা নিৰ্ণয়কাৰী প্ৰৱেশ পৰীক্ষা, নীটৰ স্নাতক পাঠ্যক্ৰমৰ বাবে খালী  হৈ থকা আসনসমূহ পূৰ কৰিবলৈ বিশেষ কাউন্সেলিং অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিছে।  ন্যায়াধীশ বি আৰ গাভাই আৰু কে ভি বিশ্বনাথনৰ বিচাৰপীঠে লগতে প্ৰৱাসী ভাৰতীয়ৰ বাবে সংৰক্ষিত খালী আসনসমূহ সাধাৰণ শ্ৰেণীলৈ পৰিৱৰ্তন কৰাৰ নিৰ্দেশ দিয়ে। এই আসনসমূহ ৰাজ্যিক নামভৰ্তি কৰ্তৃপক্ষৰ জৰিয়তে পূৰ কৰিব লাগিব বুলি ন্যায়ালয়ে লগতে নিৰ্দেশ দিয়ে। দেশৰ চিকিৎসকৰ এনে নাটনিৰ সময়ত এই চিকিৎসা আসনসমূহ অথলে যাব নালাগে বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। ন্যায়ালয়ে নামভৰ্তি কৰ্তৃপক্ষক খালী হৈ থকা আসনসমূহৰ বাবে নতুনকৈ অথবা বিশেষ কাউন্সেলিঙৰ ব্যৱস্থা কৰাৰ লগতে যিকোনো প্ৰকাৰে অহা ৩০ ডিচেম্বৰৰ ভিতৰত নামভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে।

00000

কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনী-চি আই এছ এফে আজি নতুন বদলিকৰণ নীতি ঘোষণা কৰিছে। চি আই এছ এফৰ মহা নিৰ্দেশক ড' কে চি চামান্তাৰে আজি নতুন দিল্লীত এখন সংবাদ মেলত কয়, যে প্ৰথমবাৰৰ বাবে পচন্দ অনুসৰি বদলিকৰণৰ ব্যৱস্থা  কৰা হৈছে। তেওঁ কয়, যে চি আই এছ এফৰ প্ৰতিগৰাকী জোৱানে বদলিৰ বাবে দহ খন ঠাই নিৰ্বাচন কৰাৰ সুযোগ লাভ কৰিব।  অৱসৰ লবলৈ দুবছৰ থকা জোৱানসকলক অগ্ৰাধিকাৰ ভিত্তিত নিৰ্বাচিত ৩ খন ঠাইৰ যিকোনো এখনলৈ বদলি কৰা হ'ব। ছবছৰ কৰ্মৰত মহিলা আৰু দম্পত্তিসকলেও এই পচন্দ অনুসৰি বদলিকৰণৰ  সুবিধা লাভ কৰিব। এই নতুন  বদলিকৰণ নীতিয়ে বাহিনীটোৰ ৯৮ শতাংশ জোৱানক উপকৃত কৰিব বুলি মহানিৰ্দেশকগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ কাইলৈ ছদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাব। এই ভ্ৰমণকালত তেওঁ আমেৰিকাৰ বিদেশ মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক, আঞ্চলিক তথা বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় আলোচনাত মিলিত হ'ব। ড° জয়শংকৰে  দেশখনৰ কনচুল জেনেৰেলছ অৱ ইণ্ডিয়াৰ এখন সন্মিলনত অধ্যক্ষতা কৰিব।

ooooo

কেন্দ্ৰীয় চৰকাৰে পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলক পৰৱৰ্তী শ্ৰেণীলৈ উন্নীত কৰাৰ বিশেষ নীতি বাতিল কৰিছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শিক্ষা সচিব সঞ্জয় কুমাৰে কয়, যে অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলে দুমাহৰ ভিতৰত পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিব। উল্লেখযোগ্য যে, এই পৰীক্ষাত অনুত্তীৰ্ণসকলক পৰৱৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ কৰাই দিয়া নহ'ব।  প্ৰাথমিক শিক্ষা সমাপ্ত নোহোৱা পৰ্যন্ত এই শিক্ষাৰ্থীসকলক কোনো  বিদ্যালয়ৰ পৰা বহিস্কাৰ কৰা নহব বুলি শিক্ষা সচিবগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে শিক্ষাৰ্থীৰ শিক্ষাৰ মান উন্নত কৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

ooooo

বিগত ১০ বছৰত চৰকাৰে আৱৰ্জনাৰ পৰা সম্পদ আহৰণৰ এটা ধাৰাৰ সৃষ্টি কৰিছে বুলি কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন বিভাগৰ ৰাজ্যমন্ত্ৰী জীতেন্দ্ৰ সিঙেপ্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সুশাসন ব্যৱস্থা সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাৰ উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্লাষ্টিক আৰু ইলেকট্ৰনিক সামগ্ৰীসমূহৰ পৰিবেশৰ ওপৰত পৰা প্ৰভাৱকে ধৰি কাৰ্যালয়সমূহত কাগজৰ নথিপত্ৰ কম কৰালৈকে শাসন ব্যৱস্থাৰ ক্ৰমাগত বিকাশ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। শ্ৰীসিঙে সুশাসন ব্যৱস্থাৰ প্ৰচলন সুনিশ্চিত কৰি স্বচ্ছতা অভিযানৰ সম্প্ৰসাৰণ কৰাৰ বিষয়েও উল্লেখ কৰে। ড° সিঙে কয়, যে আৱৰ্জনাক সম্পদ হিচাপে গ্ৰহণ কৰা ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। গৰুৰ গোবৰ আৰু পেলনীয়া প্লাষ্টিককে ধৰি বিভিন্ন ধৰণৰ আৱৰ্জনাৰ পৰা সম্পদ আহৰণ কৰা উদাহৰণ হিচাপে লোৱা হৈছে।

ooooo

অসম আৰু মণিপুৰৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে আজি অসমৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত প্ৰশিক্ষণ লাভ কৰা এহেজাৰ ৯৪৬ গৰাকী আৰক্ষী জোৱানৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। দুয়োগৰাকীয়ে এই  দীক্ষান্ত কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। কুচ-কাৱাজৰ সামৰণিত ৰাজ্যপাল আচাৰ্যই জোৱানসকলক কৰ্তব্য আৰু দায়িত্বৰ শপতবাক্য পাঠ কৰায়।  দীক্ষান্ত ভাষণত ৰাজ্যপাল আচাৰ্যই ১৬ শতিকাৰ মহান বীৰ লাচিত বৰফুকনৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ দেশ আৰু ৰাজ্যৰ সেৱা কৰি

যাবলৈ জোৱানসকলক আহ্বান জনায়। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে এই জোৱানসকলক আধুনিক প্ৰশিক্ষণ দিয়াৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয় আৰু দুয়োখন ৰাজ্যৰ আৰক্ষী বাহিনীয়ে অদূৰ ভৱিষ্যতে অধিক সহযোগিতাৰে কাম কৰি যাবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০

সমাপ্ত